**2021**

( Held in 2022 )

ASSAMESE

( Elective )

( Non-CBCS )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা (*এটা* বা *দুটা* শব্দত) : ১×১০=১০

(ক) ভট্টদেৱৰ প্ৰকৃত নাম কি ?

(খ) মহাপুৰুষীয়া ধৰ্মৰ অন্যতম শাখা কালসংহতিৰ প্ৰৱৰ্তক কোন ?

(গ) কোনটো আহোম শব্দৰ অৰ্থ হৈছে—'মূৰ্খৰ জ্ঞানৰ ভঁৰাল' ?

(ঘ) 'বুৰঞ্জী বিবেকৰত্ন' কোনে ৰচনা কৰিছিল ?

(ঙ) বকুল কায়স্থৰ 'কিতাবত মঞ্জৰী' কি বিষয়ক পুথি ?

(চ) অৰুণোদই যুগৰ লেখক ন.ল.ফ.ৰ সম্পূৰ্ণ নাম কি ?

(ছ) 'কানীয়া কীৰ্তন' কাৰ ৰচনা ?

(জ) 'অৰুণোদই' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল ?

(ঝ) ভোলানাথ দাসে 'সীতাহৰণ কাব্য'খন কি ছন্দত ৰচনা কৰিছিল ?

(ঞ) অসমীয়া সাহিত্যত 'প্ৰতিমাৰ খনিকৰ' বুলি কাক কোৱা হয় ?

২। উত্তৰ লিখা (*এটা* বা *দুটা* শব্দত) : ২×৫=১০

(ক) উত্তৰ-শংকৰী যুগত ৰচিত দুখন ব্যৱহাৰিক সাহিত্যৰ পুথিৰ নাম লিখা।

(খ) অৰুণোদই যুগৰ যি কোনো দুগৰাকী লেখকৰ নাম লিখা।

(গ) 'ৰামনৱমী' নাটকৰ নাট্যকাৰ কোন? কিমান চনত এই নাটকখন ৰচনা কৰা হৈছিল ?

(ঘ) 'জোনাকী' আলোচনীখন কিমান চনত প্ৰথম প্ৰকাশ হৈছিল ? ইয়াৰ প্ৰথম সম্পাদক কোন আছিল ?

(ঙ) 'পদুম কুঁৱৰী' আৰু 'লাহৰী'—এই উপন্যাস দুখনৰ ৰচক দুগৰাকী কোন কোন ?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) "চৰিত পুথিবোৰক এক প্ৰকাৰে জীৱনী কাব্যও বুলিব পাৰি।" কথাষাৰৰ সপক্ষে যুক্তি দাঙি ধৰি এটি টোকা প্ৰস্তুত কৰা।

(খ) অসমীয়া সাহিত্যলৈ ডক্টৰ নাথান ব্ৰাউনৰ অৱদানৰ বিষয়ে এটা টোকা লিখা।





(গ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য-সাহিত্যৰ প্ৰধান বৈশিষ্ট্যবোৰ কি কি, আলোচনা কৰা।

(ঘ) ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাসৰ বিষয়বস্তুৰ আভাস দিয়া।

(ঙ) চমু টোকা লিখা : হেমকোষ

৪। উত্তৰ-শংকৰী যুগৰ সাহিত্যৰ বিভিন্ন ধাৰাসমূহৰ আভাস দাঙি ধৰি এটি নিবন্ধ যুগুত কৰা। ১০

*নাইবা*

অসমীয়া বুৰঞ্জী-সাহিত্য সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৫। অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদানসমূহ কি কি? আলোচনা কৰা। ১০

*নাইবা*

গুণাভিৰাম বৰুৱাৰ সাহিত্যকৃতিৰ বিষয়ে এটি আলচ যুগুত কৰা।

৬। জোনাকী আলোচনীখনে অসমীয়া সাহিত্যৰ কোনবোৰ দিশলৈ নতুনত্ব আনিছিল সেই বিষয়ে এটি যুক্তিপূৰ্ণ বিশ্লেষণ আগবঢ়োৱা। ১০

*নাইবা*

পদ্মনাথ গোহাঞি বৰুৱাৰ নাটক সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৭। আৱাহন যুগৰ যি কোনো এগৰাকী গল্পকাৰৰ গল্প-সাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

*নাইবা*

লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যংগ-সাহিত্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

★★★